Total number of printed pages–15

1 (Sem–1) BCM 2

# 2023

## COMMERCE

Paper : BCM0100204

**(Financial Accounting)**

(বিত্তীয় হিচাপৰক্ষণ)

Full Marks : 60

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

*Answer* **either** *in English* **or** *in Assamese.*

1. Select the appropriate answers of the questions from the following: 1×8=8

নিম্নলিখিত প্ৰশ্নবোৰৰ সঠিক উত্তৰ নিৰ্বাচন কৰা ঃ

(a) Accounting gives information on

হিচাপৰক্ষণে তথ্য দিয়ে

(i) financial states of the organisations

সংগঠনবোৰৰ বিত্তীয় অৱস্থাৰ

*Contd.*

(ii) income and cost for the managers

ব্যৱস্থাপক সকলৰ বাবে আয় আৰু ব্যয়ৰ

(iii) company's tax liability for a particular year

এটা নিৰ্দিষ্ট বছৰত কোম্পানী এটাৰ কৰ' দায়বদ্ধতাৰ

(iv) All of the above

ওপৰোক্ত সকলোবোৰ

(b) Which of the accounting principles state that companies and owners should be treated as separate entities?

কোনটো হিচাপৰ নীতিয়ে কয়মে কোম্পানী আৰু ইয়াৰ মালিক সকলক পৃথক পৃথক সত্তা বুলি বিবেচনা কৰা উচিত ?

(i) Money measurement concept

মৌদ্ৰিক পৰিমাপৰ ধাৰণা

(ii) Business entity concept

ব্যৱসায়িক অস্তিত্বৰ ধাৰণা

(iii) Periodicity assumption

সময়কালৰ অভিধাৰণা

(iv) Going concern concept

গতিশীল প্ৰতিষ্ঠানৰ ধাৰণা



(c) Accounting principles are generally based on

হিচাপৰ নীতিসমূহৰ ভিত্তি হ'ল

(i) objectivity

বস্তুনিষ্ঠতা

(ii) subjectivity

ব্যক্তিগত বিবেচনা অনুযায়ী

(iii) convenience in recording

লিপিবদ্ধকৰণৰ সুবিধা অনুযায়ী

(iv) None of the above

ওপৰোক্ত এটাও নহয়

(d) Ind AS 9 is related to

ভাৰতীয় হিচাপৰ ৯ মান সম্পৰ্কিত

(i) revenue recognition

ৰাজহ স্বীকৃতিৰ সতে

(ii) accounting for fixed asset

স্থায়ী সম্পত্তিৰ হিচাপ ৰক্ষণৰ সতে

(iii) leases

লীজৰ সতে

(iv) depreciation accounting

অৱক্ষয় হিচাপৰ সতে

(e) Amount spent on increasing the seating capacity in a cinema hall is a

কথাছবিগৃহৰ আসনৰ সুবিধাৰ ক্ষমতা বৃদ্ধিৰ বাবে হোৱা ব্যয়

(i) revenue expenditure

ৰাজহ ব্যয়

(ii) capital expenditure

মূলধনী ব্যয়

(iii) both revenue and capital expenditure

মূলধনী আৰু ৰাজহ ব্যয় দুয়োটাই

(iv) None of the above

ওপৰোক্ত এটাও নহয়

(f) Excess of debit in the Profit and Loss Account is known as

লাভ-লোকচান হিচাপৰ অতিৰিক্ত ডেবিটক জনা যায়

(i) gross loss

মুঠ লোকচানৰ ৰূপত

(ii) gross profit

মুঠ লাভৰ ৰূপত



(iii) net loss

প্ৰকৃত লোকচানৰ ৰূপত

(iv) net profit

প্ৰকৃত লাভৰ ৰূপত

(g) Profit and Loss Account is also known as

লাভ-লোকচান হিসাব জনা যায়

(i) statement of affairs

সম্পদৰ বিবৃতি হিচাপেও

(ii) income statement

আয়ৰ বিবৃতি হিচাপেও

(iii) statement of operation

কৰ্মৰ বিবৃতি হিচাপেও

(iv) statement of labours

শ্ৰমৰ বিবৃতি হিচাপেও

(h) In hire purchase system the buyer charges depreciation on the

ভাড়া ক্ৰয় পদ্ধতিত ক্ৰেতাই অৱক্ষয় নিৰ্ধাৰণ কৰে

(i) cash price

নগদ মূল্যৰ ওপৰত

(ii) future market price

ভবিষ্যতৰ বজাৰ দামৰ ওপৰত

(iii) hire purchase price

ভাড়া ক্রয়ৰ দামৰ ওপৰত

(iv) middle price

মধ্যমূল্যৰ ওপৰত

2. Answer in brief ***any six*** questions : 2×6=12

*যিকোনো ছ'টা* প্রশ্নৰ চমুকৈ উত্তৰ লিখা ঃ

(i) Mention *any two* of the users of financial accounting information.

বিত্তীয় হিচাপৰ তথ্যৰ *যিকোনো দু'টাৰ* নাম উল্লেখ কৰা।

(ii) What is the basic difference between Accounting Standard and Generally Accepted Accounting Principles?

হিচাপৰ মানকসমূহ আৰু সাধাৰণত গ্রহণযোগ্য হিচাপৰ নীতিৰ মৌলিক পাৰ্থক্য কি ?

(iii) What is the significance of Accounting Standards?

হিচাপৰ মানকসমূহৰ তাৎপৰ্য্য কি ?



(iv) Explain in brief the meaning of matching concept in the measurement of income.

আয় নিৰ্ধাৰণৰ ক্ষেত্ৰত মিলকৰণৰ ধাৰণাৰ অৰ্থ চমুকৈ ব্যাখ্যা কৰা।

(v) How are expenses recognised under AS 9?

হিচাপৰ ৯নং মানক অনুসৰি ব্যয় কেনেদৰে নিৰ্ধাৰণ কৰা হয় ?

(vi) What is revenue receipt?

ৰাজহ প্ৰাপ্তি মানে কি ?

(vii) What is the significance of inventory valuation?

মজুত পণ্য মূল্যায়নৰ তাৎপৰ্য্য কি ?

(viii) What is the basic advantage of computerised accounting?

কম্পিউটাৰৰ যোগেদি ৰখা হিচাপৰক্ষণৰ মূল সুবিধা কি ?

(ix) What is the basic difference between hire purchase system and instalment payment system?

ভাড়া ক্রয় পদ্ধতি আৰু কিস্তিত ক্রয় পদ্ধতিৰ মৌলিক পাৰ্থক্য কি ?

(x) How do you define accounting software package?

হিচাপৰক্ষণৰ বাবে চফ্‌টওৱেৰ পেকেজৰ সংজ্ঞা লিখা।

3. Answer ***any four*** questions in short : 5×4=20

***যিকোনো চাৰিটা*** প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা ঃ

(a) Mention the qualitative characteristics of accounting information.

হিচাপ তথ্যৰ গুণগত বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(b) Write the meaning of the following accounting principles :

নিম্নলিখিত হিচাপৰ নীতিবোৰৰ অৰ্থ লিখা ঃ

(i) Cost concept

ব্যয়ৰ ধাৰণা

(ii) Consistency

নিৰন্তৰতা

(c) What are the objectives of measurement of business income?

ব্যৱসায়ৰ আয় পৰিমাপ কৰাৰ উদ্দেশ্য কি ?

(d) Write the differences between capital expenditure and revenue expenditure. What is capital receipt? 3+2=5

ৰাজহ ব্যয় আৰু মূলধনী ব্যয়ৰ পাৰ্থক্য লিখা। ৰাজহ প্ৰাপ্তি মানে কি ?



(e) Write the advantages and disadvantages of hire purchase system. 3+2=5

ভাড়া ক্ৰয় পদ্ধতিৰ সুবিধা আৰু অসুবিধাসমূহ লিখা।

(f) Write a note on accounting system of a dependent branch.

নিৰ্ভৰশীল শাখাৰ হিচাপ ব্যৱস্থাৰ ওপৰত এটা টোকা লিখা।

(g) What are the features of Tally 9?

টেলী' ৯ৰ বৈশিষ্ট্যসমূহ কি ?

(h) Write the basic differences of manual accounting and computerised accounting.

হাতেৰে কৰা হিচাপৰক্ষণ আৰু কম্পিউটাৰেৰে কৰা হিচাপৰক্ষণৰ মূল পাৰ্থক্য লিখা।

4. Answer ***any two*** questions : 10×2=20

***যিকোনো দুটা*** প্ৰশ্নৰ উত্তৰ লিখা ঃ

(a) From the following Trial Balance of M/s. Gupta Enterprise, prepare Trading and Profit and Loss account for the year ended on 31st March, 2023 : 4+6=10

মেচাৰ্চ গুপ্তা এন্টাৰপ্ৰাইজৰ নিম্নলিখিত মিলকৰণ বিবৃতিৰ বাবে ব্যৱসায় হিচাপ আৰু লাভ লোকচান হিচাপ প্ৰস্তুত কৰা ঃ

| Particulars (বিৱৰণ) | Dr. (ডেবিট) Rs. | Cr. (ক্রেডিট) Rs. |
|---|---|---|
| Capital (মূলধন) | — | 4,00,000 |
| Drawings (আহৰণ) | 50,000 | |
| Opening Stock (আৰম্ভণি মজুত পণ্য) | 75,000 | |
| Purchases (ক্রয়) | 4,20,000 | |
| Sundry Creditors (সাধাৰণ পাওনাদাৰ) | | 75,000 |
| Sales (বিক্রী) | | 8,10,000 |
| Sundry Debtor (সাধাৰণ দেনাদাৰ) | 1,20,000 | |
| Freight inward (ক্রয়ৰ ওপৰত ভাড়া) | 20,000 | |
| Discounts (বাট্টা) | 16,000 | 28,000 |
| Commissions (দস্তুৰি) | 12,000 | 14,000 |
| Returns (ফিৰং হিচাপ) | 16,000 | 20,000 |
| Salaries (বেতন) | 1,20,000 | |
| Rent, Rates and Taxes কৰ, ভাড়া, হাৰ | 40,000 | |
| Postage, Telegrams and Telephone ডাক, টেলিগ্রাম, টেলিফোন | 25,000 | |
| Loan (ঋণ) | | 3,00,000 |
| Interest (সুদ) | 20,000 | |
| Brand Name and Design পণ্যৰ চিনাক্তকৰণৰ নাম আৰু নক্সা | 60,000 | |
| Furniture (আচবাৱ) | 3,50,000 | |
| Advertisement (বিজ্ঞাপন) | 1,00,000 | |
| Cash in Bank (বেংকত থকা টকা) | 1,50,000 | |
| Cash in hand (হাতত থকা টকা) | 63,000 | |
| Duty drawbacks ঘুৰাই পোৱা ৰপ্তানি শুল্ক | | 10,000 |
| Total (মুঠ) ঃ | 16,57,000 | 16,57,000 |



Other information (অন্য তথ্য) ঃ

*(i)* Closing Stock Rs. 1,70,000.
মজুত পণ্য।

*(ii)* Depreciate Furniture @ 10% p.a.
আচবাৱৰ অৱক্ষয় বছৰি @ ১০% ধৰিবা।

*(iii)* The enterprise spent heavy expenditure in advertisement for launching new product which is to be written off over 5 yrs.
ব্যৱসায় প্রতিষ্ঠানখনে নতুন এটা উৎপাদনৰ প্রতিষ্ঠা লাভৰ বাবে বিজ্ঞাপনৰ নামত সৰহ পৰিমাণে ধন খৰছ কৰে যাক ৫ বছৰৰ ভিতৰত সম্পূর্ণৰূপে অবলিখন কৰা হ'ব।

*(iv)* Salary Outstanding Rs. 12,000
অনাদায়ী দৰমহা

*(v)* Salary Paid in Advance Rs. 10,000
অগ্রিমভাৱে পৰিশোধিত দৰমহা

*(b)* On 1st April, 1998 *A* Ltd. purchased from *B* Ltd. five trucks under hire purchase system, Rs. 5,00,000 being paid on delivery and balance in five instalments of Rs. 7,50,000 each payable annually on 31st March. The vendor charges 5 per cent p.a. interest on yearly balances. The cash price on five trucks was Rs. 37,50,000.

You are required to show Trucks Account and *B.* Ltd. Account in the Ledger Book of *A* Ltd. Company.

পহিলা এপ্ৰিল, 1998 তাৰিখে *A* লিমিটেড *B* লিমিটেডৰ পৰা ভাড়া ক্ৰয় পদ্ধতিত 5 খন ট্ৰাক কিনিলে। ট্ৰাক কেইখন গ্ৰহণ কৰাৰ দিনটোতে 5,00,000 টকা পৰিশোধ কৰিলে বাকী বছৰি 7,50,000 টকাকৈ পাছটা কিস্তিত প্ৰতিবছৰৰ 31 মাৰ্চত পৰিশোধ কৰিলে। বিক্ৰেতাই অনাদায়ী ধনৰ ওপৰত বছৰি 5% সুদ আৰোপ কৰিলে পাছখন ট্ৰাকৰ সৰ্বমুঠ মূল্য 37,50,000 টকা। *A* Ltd-ৰ বহীত ট্ৰাকৰ হিচাপ আৰু *B* Ltd-ৰ হিচাপ প্ৰস্তুত কৰা।

*(c)* Hari Brothers of Kolkata has a branch at Ranchi and in order to maintain strict control on stock, invoices goods to the branch at selling price which is cost plus $33\frac{1}{3}\%$. From the following particulars, prepare Branch Stock Account, Branch Debtors Accounts and Goods Sent to Branch Account. 4+4+2=10

কলিকাতাৰ হৰি ব্ৰাদাৰ্ছৰ ৰাঁচীত এটা শাখা আছে। মজুত পণ্যৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণ ৰখাৰ বাবে শাখালৈ বিক্ৰী দামত (য'ত খৰছৰ ওপৰত ৩৩⅓% লাভ ধাৰ্য্য কৰা হয়) দ্ৰব্যসমূহ চালান দিয়ে।



নিম্নলিখিত তথ্যৰ ভিত্তিত শাখাৰ মজুত পণ্যৰ হিচাপ আৰু শাখাৰ দেনাদাৰ হিচাপ আৰু শাখালৈ দ্ৰব্যপঠিওৱাৰ হিচাপ প্ৰস্তুত কৰা।

| | Rs. |
|---|---|
| Stock on 1st April, 2022 (Invoice Price)<br>পহিলা এপ্ৰিল' ২০২২ৰ মজুত পণ্য (চালানী দাম) | 15,000 |
| Debtors on 1st April, 2022<br>পহিলা এপ্ৰিল' ২০২২ৰ দেনাদাৰ | 11,400 |
| Goods invoiced to Branch during the year (Invoice Price)<br>বছৰটোত শাখালৈ চালান দিয়া দ্ৰব্য (চালানী দামত) | 67,000 |
| Sales at Branch (শাখাত বিক্ৰী) | |
| Cash (নগদ) | 31,000 |
| Credit (বাকী) | 37,400 |
| Cash received from debtors<br>দেনাদাৰৰ পৰা প্ৰাপ্ত ধন | 40,000 |
| Bad debt written off<br>অনুদ্ধাৰনীয় ঋণৰ অৱলিখন | 250 |
| Discount allowed to customer<br>গ্ৰাহকক দিয়া বাট্টা | 300 |
| Expenses at Branch<br>শাখাত হোৱা ব্যয় | 6,700 |
| Stock on 31st March, 2023<br>৩১ মাৰ্চ' ২০২৩ ত সামৰণি মজুত পণ্য | 13,400 |

(d) Assam Motor Service Co. buys a motor car on instalment payment system from Hind Motors Ltd. on 01.01.2018 under which payment is to be made on December 31 each year for 4 years @ Rs. 50,000 per annum, interest being calculated @ 5% p.a. The cash down price of the car is Rs. 1,77,300. Depreciate the car @ 10% p.a. on diminishing balance method.

Prepare Motor Car Account, Hind Motors Ltd. Account and Interest Suspense Account in the books of Assam Motors Service Co. for four years.

Assam Motors Service Co.-এ কিস্তিক্রয় পদ্ধতিত Hind Motors Ltd -ৰ পৰা 01.01.2018 তাৰিখত এটা মটৰ গাড়ি ক্রয় কৰে। প্রতি বছৰ ডিচেম্বৰ মাহৰ 31 তাৰিখত বছৰি 50,000 টকাকৈ চাৰি বছৰ আদায় দিয়া হব আৰু বছৰি 5% হাৰে সূত হিচাপ কৰা হব। গাড়িখনৰ নগদ মূল্য আছিল 1,77, 300 টকা। ক্রমহ্রাসমান পদ্ধতিত বছৰি 10% হাৰে গাড়িখনৰ অৱক্ষয় ধৰা হব।

Assam Motors Service Co.-ৰ বহীত চাৰি বছৰৰ বাবে তলত দিয়া হিচাপবোৰ প্রস্তুত কৰা ঃ

(i) Motor Car Account

(ii) Hind Motors Ltd. Account

(iii) Interest Suspense Account



(e) Explain the procedures for setting Accounting Standards in India.

ভাৰতবৰ্ষত হিচাপৰ মানক গঠন কৰাৰ পদ্ধতি ব্যাখ্যা কৰা।

---